মই নিশিতাক হেৰুৱাৰ ভয়ত একো কথাই শুনিব নুখুজিলোঁ।

"ফেৰিৰ সময় হ'ব। এতিয়া আমি গৈ থাকোঁ। এইকেইটা দিন ভালকৈ থাকিবা। অলপ দিনৰ পাছত মুম্বাইত থাকিবলৈ সাজু হোৱা। অ' এতিয়াৰপৰা তুমি মোক তুমি বুলি ক'বা।" তাইৰ চকুলৈ চাই মই ক'লোঁ—"তুমি সঁচাই ধুনীয়া আৰু তোমাৰ চুলিখিনি ইমান ধুনীয়া .... আৰু তোমাৰ সৰলতা।"

"আপুনিও কম ধুনীয়া নহয়।" নিশিতাই ক'লে। তেনেতে নিশিতাৰ ভনীয়েকে আহি ক'লে—

"বাঃ একেদিনাই ইমান কথা, বাহিৰত সকলো যাবলৈ উঠিলেই।"

দুয়োটাই বহুত লাজ পোৱাদি পালোঁ। মই ক'লোঁ—"এতিয়া যাওঁ দেই। ভালকৈ থাকিবা।"

সকলো যাবলৈ সাজু হ'ল। মাহীয়ে মোক আকৌ জোকালে। যাবলৈ ওলাই মোৰ দেউতাই হাতযোৰ কৰি ক'লে—"আপোনালোকৰ ওচৰত মোৰ এটা অনুৰোধ আছে। আপোনালোকে কিন্তু ছোৱালীৰ লগত বিয়াত কোনো বস্তু দিব নোৱাৰিব। কাৰণ বিয়াৰ পাছত তাহাঁত থাকিব মুম্বাইত। তাৰ ফ্লেটত কোম্পানিৰপৰা দিয়া আচবাবেৰে ভৰি আছে। আৰু মোৰ ঘৰত এনেয়ে পেলাই থ'বলৈ কোনো বস্তুৰ প্ৰয়োজন নাই।"

এইদৰে কৈ সকলোৰে বিদায় ল'লোঁ।

মাহঁতক ফেৰিখনত বহুৱাই বাহিৰৰ ৰেলিঙত ধৰি ডুবিবলৈ আয়োজন কৰা পশ্চিমৰ বেলিটোলৈ মই চাবলৈ ধৰিলোঁ। নদীৰ মাজৰ বালি চাপৰিবোৰ আৰু তাত থকা ঝাওবন আৰু নল-কঁহুৱাবোৰ সপোনপুৰী যেন লাগিল। নদীৰ পানীত জিলিঙনি পৰি কি যে অপূৰ্ব দৃশ্য বিৰাজ কৰিছে; তাকে চাই চাই নিশিতাৰ কথাকে ভাবিবলৈ ধৰিলোঁ। এনেকৈও যে হঠাতে মানুহৰ সংযোগ ঘটিব পাৰে ভাবি আচৰিত হ'লোঁ। গোটেই কথাবোৰেই সপোন সপোন যেন লাগিল। আৰম্ভণি কথা-বতৰাৰপৰা আজিৰ অনুষ্ঠানটোৰ সকলো কথাৰ গুৰি ধৰালেকে ভূএগ্ৰাদা। বিয়াৰ পাছত ভূএগ্ৰাদাক এটা দামী উপহাৰ দিব লাগিব। ককাদেউতালৈ মোৰ বৰকৈ মনত পৰিল। একমাত্ৰ ককাৰ কাৰণেই মই এই সুন্দৰ প্ৰকৃতিখনক ভাল পাবলৈ শিকিলোঁ। আজি যদি ককা জীয়াই থাকিলেহেঁতেন সকলোতকৈ আনন্দিত তেৱেঁই হ'লহেঁতেন। ককাৰ সাধুবোৰ, কাহিনীবোৰ, নীতিজ্ঞান, ফকৰা-যোজনাবোৰে মোক, মোৰ মনটোক মাটিৰ গোন্ধৰপৰা আঁতৰাব নোৱাৰিলে। দেউতা আছিল বৰ খৰচী। দৰমহা পোৱাৰ দিনাই ঘৰখন বস্তুৰে ভৰাই দিয়েহি। আমি সৰু থাকোঁতেই ককাই দেউতাক কোৱা শুনিছিলোঁ—"বৰবাপু অ' দৰমহাৰ টকা আৰু পূৰ্ণিমাৰ জোন একেই কথা বুজিছ। একলা একলাকৈ পযেকতে শেষ।" "আকৌ 'ধান পকে মানে টুনিৰ মৰণ' বুজিছ ...।" আইতা মোৰ জন্মৰ আগতেই ঢুকাইছিল। মই যেতিয়া থুপুক-থাপাককৈ খোজ কাঢ়িছিলোঁ তেতিয়াৰপৰাহে বোলে ককাৰ মুখত হাঁহি ওলাইছিল। মৰমতে মোক সোণগুটি বুলি মাতিছিল। মায়ে যেতিয়া গাখীৰৰ গিলাচটো লৈ পিছে পিছে ঘূৰি ফুৰিছিল; ককাই কৈছিল খা অ' সোণগুটি খা, খাঁটি গাখীৰ ক'ত পাবি ..., বোলে 'গাখীৰৰ নামত পানীকে খাবা, দোলাৰ নামত শিকিয়াতে যাবা' বুলি মাৰপৰা গিলাচটো লৈ সাধু এটা জুৰি ককাই গাখীৰ খুৱাই দিছিল। আকৌ কেতিয়াবা উজুটি খাই পৰিলে বা হাত-ভৰি কাটিলে ককাই লগে লগে গোন্ধোৰা বনৰ পাত বা পিৰালিত থকা বিশল্যকৰণী গছৰ পাত মোহাৰি তেজ ওলোৱা ঠাইত লগাই দিছিল। এইদৰেই ককাৰপৰা বহুত বন দৰবৰ বিষয়েও জানিছিলোঁ। কৈ থাকিলেও ককাৰ লগত মোৰ কাহিনী শেষ নহয়। ককা পৃথিৱীৰপৰা বিদায় লোৱা দুবছৰ হ'ল।

অ'হ ..... ফেৰিখনচোন নিমাতীঘাট পালেহি!

বৰ ধুমধামেৰে, নিৰহ-নিপানিকৈ বিয়াখন সুকলমে পাৰ হ'ল। মিতিৰ-কুটুমেৰে ঘৰ ভৰি আছে। আজি খোবা-খুবুনী। কালিলৈৰপৰাহে আলহী পাতলিব। নিশিতাই গাঢ় সেউজীয়া পাটৰ কাপোৰ পিন্ধি খোপাত ওৰণি লৈ ডিঙিভৰা গহনা আৰু দুয়োহাতত সোণৰ খাৰুৰ জুন-জুননি তুলি চাহ-তামোল বিলাই ফুৰিছে। মই যিফালেই যাওঁ সেইফালেই মোক সকলোৱে জোকাই মাৰে। লগৰ বিয়া নপতাকেইটাই কুটৰিবলৈ ল'লেই। তাহাঁতক মাজুলীৰ ছোৱালী বিচাৰি দিব লাগিব। কাণৰ কাষলৈ আহি কিমান যে উপদেশ দিছে হিচাপ নাই। আকৌ হোমৰ সাজত আমি দুয়ো সেৱা কৰিবলৈ ওলালোঁ। বগা পাটৰ গুণাৰ মিনাকৰা কাপোৰযোৰে নিশিতাক কেনেকুৱা যে অপূৰ্ব সুন্দৰী দেখিছে ভাবিব নোৱাৰি!

ভোজ-ভাত খাই, থকা আলহীখিনিৰ বাহিৰে সকলো ঘৰা-ঘৰি গ'লগৈ। সময় বাৰ বাজি গ'লেই। দেউতা আৰু মই বহুত মানা কৰা সত্বেও কিন্তু পুৱাতেই নিশিতাহঁতৰ ঘৰৰপৰা নভা ফাৰ্নিচাৰপৰা ডাঙৰ পালেংখন, লোৰ আলমাৰি, ড্ৰেছিং আইনা আদি ভালেখিনি বস্তু দি গ'লহি। ভূএগ্ৰাদা আৰু নিশিতাৰ ককায়েক আহিছিল। পেহীৰ ছোৱালী, মাহীৰ ছোৱালী আৰু ভণ্টিহঁত গোটখাই আমাৰ কোঠাটো আটক ধুনীয়া কৰি সজাই থৈছে। ৰজনীগন্ধা আৰু ৰঙা গোলাপেৰে গোটেইখন আমোল মোলাই আছে। তাতে আৰু মই বাহিৰৰপৰা অনা পাৰফিউমৰ সুগন্ধিৰে কি যে মায়াময় এটা পৰিৱেশ সৃষ্টি হৈছে! মূৰত ওৰণি লৈ নিশিতা পালেঙৰ মূৰৰ শিতানৰ ফালে বহি আছে। লাজত গোটেইজনী কুঁচি-মুচি খাই আছে। মই সোমাই যোৱাৰ লগে লগে তাই উঠি আহি মোৰ ভৰিত সেৱা জনালে আৰু মই পাঞ্জাবীৰ জেপৰপৰা তাইৰ বাবে অনা হীৰাৰ আঙঠিটো পিন্ধাই দিলোঁ। আকৌ তাই কুঁচি-মুচি বহি ল'লে। ঠাণ্ডাতো তাই গোটেইজনী জুৰ জুৰকৈ ঘামিছে। ওৰণিখন লাহেকৈ গুচাই দিলোঁ।

"নিশিতা, মই কিন্তু তোমাক সীতা বুলিহে মাতিম। —আৰে তুমি ইমান ঘামিছা কিয়? অকণো ভয় নকৰিবা। আমি আজি দুয়ো কথা পাতিম দেই। এতিয়া মোৰ সীতাৰ কাহিনীটো কওঁ শুনা। আকৌ তাৰ পাছত তোমাৰ ক'ব লগা কথাবোৰ ক'বা।" মই সৰুতে আইতাই ভাওনা ঘৰত সীতাৰ চেংচুলিৰ বিষয়ে কোৱাৰপৰা হৰ্ষিতহঁতৰ ঘৰত ভাওনা চাই সীতাক পছন্দ কৰা দাড়ি-গোফ খুৰুৱা দিব্যজ্যোতিৰ কাহিনীটো ক'বলৈ লাগিলোঁ। মই ভাবিছিলোঁ নিশিতাই সেইবোৰ কাহিনী শুনি অতি অমোদ পাব। কিন্তু নাপালে; বৰং নিশিতা ক্ৰমান্বয়ে ভয়াতুৰৰ নিচিনা হৈ মূৰ ঘূৰাই মোৰ কান্ধত পৰি গ'ল। মই হাতখন মেলি টেবুলৰপৰা পানী গিলাচ আনি চকুৰে-মুখে মাৰি দিলোঁ।

"চাওঁ চাওঁ নিশিতা চকু মেলা ... চকু মেলা ... ইচ ... ইমান টানকৈ খোপাটো বান্ধিছা আৰু ইমানসোপা কাঁটা মাৰিছা ...!"

মই এপাট এপাটকৈ কাঁটাবোৰ খুলি খোপাটো মেলি দিলোঁ। এনেয়ো নিশিতাৰ খোলা চুলিখিনিয়েহে মোক মুগ্ধ কৰিছিল। নিশিতাই অলপ অলপকৈ চকু পচাৰিছে। মই তেওঁৰ চুলিৰ মাজেদি হাত বুলাই থাকোঁতে ভাবিলোঁ টোপনি খতি, নিজৰ ঘৰখন চিৰদিনৰ বাবে এৰি অহাৰ বাবেই চাগৈ তেওঁৰ এনে হৈছে। মায়ে কোৱাৰ দৰেই বিয়াৰ আগতে কিছুদিন ইজনে সিজনক বুজি পোৱাটো উচিত আছিল নেকি বাৰু? হঠাৎ চুলিৰ মাজত জালনাৰ নিচিনা কিবা বস্তুত হাতখন লাগিল। ভাবিলোঁ এই ছোৱালীবোৰে যে কিমান কাঁটা নামাৰে! কাঁটা বুলি টান মাৰি দিওঁতে ষ্ট্ৰেট কৰা চুলিৰ উইগটো মোৰ হাতত উঠি আহিল। মই চকুৰে সৰিয়হ ফুল দেখিলোঁ। মই বৰফৰ দৰে চেঁচা পৰি গ'লোঁ।

ঠিকনা ঃ পটীয়া গাঁও, নিমাতী আলি, যোৰহাট-৭৮৫১০১, ফোন ঃ ৯৪৩৫৫২৬৪৫৯